**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-02-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰতিটো টকা দেশ তথা জনসাধাৰণৰ কল্যাণৰ বাবে বিনিয়োগ কৰা বুলি সদৰি কৰিছে।

২। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে গভীৰ সমুদ্ৰ অভিযানৰ বাবে ৬০০ কোটি টকা মঞ্জুৰ কৰাৰ লগে লগে ভাৰতৰ সমুদ্ৰ অভিযান ত্বৰান্বিত হোৱাৰ দিশে আগবাঢ়িছে।

৩। সাংস্কৃতিক মন্ত্ৰালয়ে আকাশবাণীৰ সহযোগত আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত **হৰ কণ্ঠ মে ভাৰত** শীৰ্ষক এটা বিশেষ ধ্ৰুপদী সংগীতৰ অনুষ্ঠান মুকলি কৰে।

৪। ভাৰতে ১৯ বছৰ অনূৰ্ধ আই চি চি মহিলাৰ টী-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ীৰ খিতাপ দখল কৰিছে। *আৰু*

৫। এছিয়ান গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰা শুটাৰ অশ্বী চৌকচেয়ে আজি মহিলাৰ ৫০ মিটাৰ ৰাইফলত ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে।

০০০০০

আম আদমী পাৰ্টীয়ে হতাশাৰ বলি হৈ প্ৰতি ঘণ্টাতে নতুন আঁচনি ঘোষণা কৰে বুলি জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অভিযোগ তোলে। নতুন দিল্লীৰ আৰ কে পুৰমত অনুষ্ঠিত এখন জনসভাত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে আপ দলে ভুৱা ঘোষণা কৰিছে। বিগত ১১ বছৰ আপ দলে অপচয় কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে দলটোৱে কোনো উন্নয়নমূলক কাম কৰা নাই। নতুন দিল্লীত বিজেপিয়ে চৰকাৰ গঠন কৰিব বুলি আশা প্ৰকাশ কৰি নেতাগৰাকীয়ে কয় যে দ্বৈত ইঞ্জিনৰ চৰকাৰে সময়ৰ অপব্যৱহাৰ নকৰে। তেওঁ কয়, যে ধনী-দুখীয়া নিৰ্বিশেষে নতুন দিল্লীৰ প্ৰতিটো পৰিয়ালে স্বাচ্ছন্দ্যৰে জীৱন-যাপন কৰাটো দ্বৈত ইঞ্জিনৰ চৰকাৰে সুনিশ্চিত কৰিব। এই চৰকাৰে অজুহাত দেখুৱাৰ পৰিৱৰ্তে নতুন দিল্লীক অধিক সমৃদ্ধ কৰি তোলাত মনোনিৱেশ কৰিব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। আপৰ কেইবাগৰাকীও নেতাই দলত্যাগ কৰা বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে এই নেতাসকলে দলটোৰ প্ৰতি জনসাধাৰণৰ মনত থকা ঘৃণাৰ উমান পাইছে। জনসাধাৰণৰ সন্মুখত দলটোৰ সঁচা স্বৰূপ প্ৰকাশ পোৱা বুলিও তেওঁ উল্লেখ কৰে। পৰৱৰ্তী ৫ বছৰৰ বাবে কেন্দ্ৰত সুস্থিৰ বিজেপি চৰকাৰ গঠন হোৱাত দিল্লীবাসীয়ে সহায় কৰাৰ পাছত এতিয়া ভুলবশতঃ দিল্লীত আপ দলৰ চৰকাৰ গঠন হ'লে পৰৱৰ্তী ৫ বছৰ অথলে যাব বুলি তেওঁ মত প্ৰকাশ কৰে। কালি ঘোষিত কেন্দ্ৰীয় বাজেটৰ প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে এই বাজেটৰ জৰিয়তে বিকশিত ভাৰতৰ ৪টা শক্তিশালী স্তম্ভ অৰ্থাৎ কৃষক, যুৱচাম, দৰিদ্ৰসকল আৰু মহিলাসকলক সবল কৰি তোলাৰ প্ৰতি তেওঁৰ নিশ্চিতি প্ৰতিফলিত হৈছে। তেওঁ লগতে কয়, যে এই বাজেটৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণী উপকৃত হ'ব। ১২ লাখ টকালৈকে উপাৰ্জন কৰা লোকসকলক আয়কৰ ৰেহাই দিবলৈ চৰকাৰে লোৱা সিদ্ধান্তৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে কেইবাহাজাৰ টকা সঞ্চয় কৰিব সমৰ্থ হ'ভ

বুলিও তেওঁ প্ৰকাশ কৰে। অৰ্থনীতিৰ প্ৰসংগত শ্ৰীমোদীয়ে কয়, যে বিগত ১০ বছৰত ভাৰতৰ অৰ্থনীতি দশম স্থানৰ পৰা পঞ্চম স্থানলৈ উন্নীত হৈছে। দেশৰ অৰ্থনৈতিক শক্তি, অৰ্থনীতিৰ আকাৰ তথা নাগৰিকসকলৰ উপাৰ্জন বৃদ্ধি হোৱা বুলিও তেওঁ উল্লেখ কৰে। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰতিটো টকা দেশ তথা জনসাধাৰণৰ কল্যাণৰ বাবে বিনিয়োগ কৰা বুলিও তেওঁ সদৰি কৰে। তদুপৰি জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘৰে ঘৰে নিৰ্বাচনী প্ৰচাৰ চলোৱা এটা বিশেষ কাৰ্যসূচীত ভাগ লয়। সংবাদ মাধ্যমৰ আগত তেওঁ কয়, যে নতুন দিল্লীৰ সমন্বয়, সংস্কৃতি তথা ঐতিহাসিক পৰম্পৰা পুনৰ জাগ্ৰত হ'বই লাগিব। তেওঁ লগতে দিল্লীবাসীয়ে অঞ্চলটোৰ উন্নয়নৰ বাবে বিজেপিক ভোটদান কৰিবলৈ সিদ্ধান্ত লোৱা বুলিও উল্লেখ কৰে।

আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে মুখ্য নিৰ্বাচনী বিষয়ালৈ এখন পত্ৰ লিখি বিজেপি কৰ্মকৰ্তা তথা দিল্লী আৰক্ষী বিষয়াৰ বিৰুদ্ধে আপ দলৰ কৰ্মীক আক্ৰমণ কৰাৰ অভিযোগ তুলি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সংবাদ মাধ্যমৰ আগত কেজৰিৱালে নতুন দিল্লীৰ আপ দলৰ কৰ্মকৰ্তাসকলক বিজেপি কৰ্মকৰ্তাই হাৰাশাস্তি কৰাৰ অভিযোগ তোলে। উল্লেখযোগ্য যে ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচন অহা বুধবাৰে অনুষ্ঠিত হ'ব। অহা ৮ ফেব্ৰুৱাৰীত ভোটগণনা অনুষ্ঠিত হ'ব।

ooooo

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে গভীৰ সমুদ্ৰ অভিযানৰ বাবে ৬০০ কোটি টকা মঞ্জুৰ কৰাৰ লগে লগে ভাৰতৰ সমুদ্ৰ অভিযান ত্বৰান্বিত হোৱাৰ দিশে আগবাঢ়িছে। ভাৰতে বিশেষভাৱে নিৰ্মিত সমুদ্ৰযান নামৰ এখন ছাবমেৰিনত বৈজ্ঞানিকক প্ৰেৰণ কৰি সমুদ্ৰৰ গভীৰত অন্বেষণ চলোৱাৰ লক্ষ্য লৈছে। এই অভিযানৰ জৰিয়তে সমুদ্ৰৰ গভীৰতলিৰ জোখ-মাখ লোৱাৰ লগতে পানীৰ তলত ৬ হাজাৰ মিটাৰ গভীৰলৈ প্ৰেৰণ কৰিব পৰা যানৰ প্ৰযুক্তি উন্নত কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। এই অভিযানত সাগৰৰ তলিৰ জৈৱ সম্পদৰ বহনক্ষম ব্যৱহাৰৰ বাবে সাগৰৰ গভীৰতাত খনন তথা অন্যান্য অভিযান্ত্ৰিক শৈলী নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। চেন্নাইৰ মহাসাগৰ প্ৰযুক্তিৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান এন আই অ টিয়ে নিৰ্মাণ কৰি উলিওৱা মানৱচালিত এখন বিশেষ যান চলিত বৰ্ষৰ শেষৰফালে সাগৰৰ ৫০০ মিটাৰ গভীৰলৈ লৈ যোৱাৰ পৰিকল্পনা কৰা হৈছে। এই যানৰ জৰিয়তে অহা বছৰ সাগৰতলিৰ ৬ হাজাৰ মিটাৰ পৰ্যন্ত অন্বেষণ কৰাৰ প্ৰচেষ্টা চলোৱা হ'ব। বিত্ত মন্ত্ৰীয়ে ইতিমধ্যে বতৰৰ আগজাননী দিয়াৰ সমৰ্থতা উন্নীত কৰাৰ উদ্দেশ্যে পৃথিৱী বিজ্ঞান মন্ত্ৰ্যালয়ে গ্ৰহণ কৰা মিছন মৌছম অভিযানৰ বাবে এহাজাৰ ৩২৯ কোটি টকা মঞ্জুৰ কৰিছে। পৃথিৱী বিজ্ঞান মন্ত্ৰ্যালয়ে মহাসাগৰৰ গভীৰলৈ যোৱাৰ অভিযানৰ নেতৃত্ব দিছে। এইক্ষেত্ৰত কালি কেন্দ্ৰীয় বাজেটত প্ৰায় ৩ হাজাৰ ৬৫০ কোটি টকা মঞ্জুৰ কৰা হৈছে।

ooooo

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধ্যক্ষ ফিলেমন য়াঙে বিগত দশকটোত ভাৰতত উল্লেখযোগ্য পৰিৱৰ্তন সাধন হৈছে বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে অহা ৪ৰ পৰা ৮ ফেব্ৰুৱাৰীলৈ ভাৰত ভ্ৰমণ কৰি তেওঁ ডিজিটেল আৰু প্ৰযুক্তিগত উদ্ভাৱনে এই পৰিৱৰ্তনত যোগোৱা অৰিহনাৰ আভাস লাভ কৰিব। সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ তথা পঞ্চম বৃহৎ অৰ্থনীতি হিচাপে ভাৰতক ৰাষ্ট্ৰসংঘৰ গুৰুত্বপূৰ্ণ সদস্য আখ্যা দিয়ে। সমাগত ভাৰত ভ্ৰমণ সম্পৰ্কে ইতিবাচক মনোভাৱ প্ৰতিফলিত কৰি য়াঙে কয়, যে তেওঁ ভাৰতে অগ্ৰাধিকাৰ দিয়া দিশসমূহৰ লগতে দেশখনত বহুপাক্ষিকতাবাদৰ ভৱিষ্যত সম্পৰ্কে অধিক গভীৰভাৱে বুজ লোৱাৰ আশা কৰিছে।

০০০০০

সাংস্কৃতিক মন্ত্ৰালয়ে আকাশবাণীৰ সহযোগত আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত **হৰ কণ্ঠ মে ভাৰত** শীৰ্ষক এটা বিশেষ ধ্ৰুপদী সংগীতৰ অনুষ্ঠান মুকলি কৰে। আজিৰ পৰা অহা ১৬ ফেব্ৰুৱাৰীলৈ আকাশবাণীৰ ২১টা কেন্দ্ৰৰ পৰা পুৱা চাৰে ৯ বজাৰ পৰা ১০ বজালৈ এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ হ'ব। সাংস্কৃতিক মন্ত্ৰালয়ৰ সচিব অৰুনিষ চাউলা আৰু প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিৱেদীয়ে অনুষ্ঠানটো উদ্বোধন কৰে। অনুষ্ঠানত আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌৰো উপস্থিত থাকে। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত সাংস্কৃতিক মন্ত্ৰালয়ৰ সচিবগৰাকীয়ে কয়, যে এই অনুষ্ঠানৰ জৰিয়তে যুৱ শিল্পীসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ এখন মঞ্চ লাভ কৰিব। তেওঁ লগতে এই অনুষ্ঠান ধ্ৰুপদী সংগীত বিষয়ক হ'ব বুলিও দোহাৰে। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিৱেদীয়ে কয়, যে ২১টা আকাশবাণী কেন্দ্ৰৰ জৰিয়তে ৬০০তকৈও অধিক শিল্পীয়ে তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ লাভ কৰিব। তেওঁ জনসাধাৰণক এই অনুষ্ঠান উপভোগ কৰি শিল্পীসকলক উৎসাহিত কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি আকাশবাণী সঞ্চালক প্ৰধান ড০ গৌৰে এই পদক্ষেপৰ প্ৰশংসা কৰি কয়, যে সাংস্কৃতিক মন্ত্ৰালয়ৰ এই অনন্য প্ৰচেষ্টাই যুৱ শিল্পীসকলক সহায় কৰাৰ লগতে আকাশবাণীৰ জনপ্ৰিয়তাও বৃদ্ধি কৰিব।

০০০০০

ভাৰত আৰু ইণ্ডোনেছিয়াৰ সম্পৰ্ক কেৱল ভু-ৰাজনৈতিক নহয় বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উল্লেখ কৰিছে। তেওঁ কয়, যে দেশ দুখনৰ সম্পৰ্ক হাজাৰ বছৰ পুৰণি। ইণ্ডোনেছিয়াৰ জাকাৰ্টাত শ্ৰীসনাতন ধৰ্ম আলায়মৰ মহাকুম্ভভিছেগমত দিয়া ভাষণত তেওঁ কয়, যে দুয়োখন দেশ সংস্কৃতি, সভ্যতাৰ এনাজৰী তথা আধ্যাত্মিকতাৰ ডোলেৰ বান্ধ খাই আছে। যেতিয়া এগৰাকী ভাৰতীয়ই প্ৰমবাননৰ দৰে ইণ্ডোনেছিয়াৰ মন্দিৰ দৰ্শন কৰে তেওঁৰ কাশী আৰু কেদাৰনাথৰ কথা মনলৈ আহে।

০০০০০

ভাৰতে ১৯ বছৰ অনুৰ্ধ আই চি চি মহিলাৰ টী-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বিজয়ীৰ খিতাপ দখল কৰিছে। মালয়েছিয়াৰ কোৱালা লামপুৰৰ বায়ুয়েমাছ অ'ভেল ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰতে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰে। ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে এই খিতাপ দখল কৰিছে। প্ৰথমে বেট ধৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৮২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গংগাদি তৃষাৰ অপৰাজিত ৪৪ ৰানৰ সহায়ত ভাৰতে ১২ অ'ভাৰতে ৮৩ ৰান সংগ্ৰহ কৰি নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। তৃষাক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতৰ হৈ চানিকা চলকেয়ে ২৬ ৰানৰ বৰঙণি আগবঢ়াই অপৰাজিত হৈ থাকে। দক্ষিণ আফ্ৰিকাৰ হৈ মিয়েকে ভেন ৱুৰ্ষ্টে সৰ্বাধিক ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ গংগাদি তৃষাই তিনিটা আৰু বৈষ্ণৱী শৰ্মা, আয়ুসী শুক্লা তথা পাৰোনিকা ছিছ'দিয়াই দুটাকৈ উইকেট দখল কৰে আৰু শ্বনম এম ডি ছাকিলে এটা উইকেট দখল কৰে। ভাৰতৰ গংগাদি তৃষাই প্ৰতিযোগিতাত মুঠ ৩০৯ ৰান সংগ্ৰহ কৰি প্লেয়াৰ অব্ দা টুৰ্ণামেণ্ট খিতাপ লাভ কৰে। আনহাতে, বৈষ্ণৱী শৰ্মাই ছখন খেলত হেট্ৰিক কৰি সৰ্বাধিক ১৭ টা উইকেট দখল কৰে।

০০০০০

এছিয়ান গেমছত ব্ৰঞ্জৰ পদক অৰ্জন কৰা শ্বুটাৰ অশ্বী চৌকচেয়ে  আজি মহিলাৰ ৫০ মিটাৰ ৰাইফলত ৰাষ্ট্ৰীয় অভিলেখ ভংগ কৰে। ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত উত্তৰ প্ৰদেশৰ শ্বুটাৰগৰাকী সোণৰ পদক লাভ কৰাৰ দিশে আগবাঢ়িছে। ২২ বছৰীয়া খেলুৱৈগৰাকীয়ে ২০২৩ চনত হাংঝৌত হোৱা এছিয়ান গেমছত ১০ মিটাৰ এয়াৰ ৰাইফল দলীয় শাখাত আৰু ৫০ মিটাৰ ৰাইফল থ্ৰী পজিছন শাখাত ৰূপৰ পদক অৰ্জন কৰিছিল। সদ্যহতে ২০২৫ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ ছাৰ্ভিচেছ স্পৰ্টছ কন্‌ট্ৰল বৰ্ড পদক তালিকাৰ শীৰ্ষত আছে। কৰ্ণাটক দ্বিতীয় স্থানত থকাৰ লগতে মহাৰাষ্ট্ৰ তৃতীয় স্থানত আছে।

০০০০০

সমাপ্ত